**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-10-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত জামাইকাৰ প্ৰধানমন্ত্ৰী ড০ এণ্ড্ৰিউ হ'লনেছৰ সৈতে বাৰ্তালাপত মিলিত হয়।

২। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে বৰ্তমান সময়ত দৰিদ্ৰ আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকলে ঋণ লাভ কৰাটো অতি সহজ হৈছে।

৩। জম্মু-কাশ্মীৰত আজি তৃতীয় তথা চূড়ান্ত পৰ্যায়ৰ বিধান সভাৰ নিৰ্বাচনৰ ভোটগ্ৰহণৰ প্ৰথম দুঘণ্টাত ১১ দশমিক ৬ - ০ শতাংশ ভোটদান সম্পন্ন হৈছে।

৪। অসমৰ মুখ্যমন্ত্ৰী তথা ঝাৰখণ্ড বিজেপিৰ নিৰ্বাচনৰ দায়িত্বত থকা সহ-প্ৰভাৰী হিমন্ত বিশ্ব শৰ্মাই কৈছে যে ভাৰতীয় জনতা পাৰ্টীয়ে পৰহিলৈ ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ সংক্ষিপ্ত নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰিব।

আৰু

৫। পেৰুৰ লিমাত চলি থকা শুটিঙৰ আই এছ এছ এফ জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপৰ এয়াৰ ৰাইফলৰ পুৰুষৰ দলীয় শাখাত বিজয়ী হৈ ভাৰতৰ পাৰ্থ্ ৰাকেশ মানে দুটা সোণৰ পদক অৰ্জন কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত জামাইকাৰ প্ৰধানমন্ত্ৰী ড° এণ্ড্ৰিউ হ'লনেছৰ সৈতে বাৰ্তালাপত মিলিত হয়। প্ৰধানমন্ত্ৰী মোদীয়ে হায়দৰাবাদ হাউছত ড° হলনেছক আদৰণি জনায়। দুয়োখন দেশে দ্বিপাক্ষিক সম্বন্ধ সুদৃঢ় কৰাৰ লগতে কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ সম্ভাৱনা আছে। ড° হলনেছে প্ৰথমবাৰৰ বাবে ভাৰত ভ্ৰমণ কৰিছে। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰিব। জামাইকাৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে ব্যৱসায় আৰু বাণিজ্যৰ আগশাৰীৰ নেতাসকলৰ সৈতেও মিলিত হ'ব। চাৰিদিনীয়া ভ্ৰমণৰ অংশ হিচাপে কাইলৈ তেওঁ বাৰাণসী ভ্ৰমণ কৰিব। আমাৰ সংবাদদাতাই জানিবলৈ দিছে যে জামাইকাৰ প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণৰ ফলত দুয়োখন দেশৰ মাজত অৰ্থনৈতিক সহযোগিতা সুদৃঢ় হোৱাৰ লগতে বিভিন্ন খণ্ডত সহযোগিতা সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে। ভাৰতে জামাইকাৰ উন্নয়নমূলক প্ৰকল্পত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। জামাইকাৰ কিট্ছন চহৰত গ্ৰামোন্নয়নৰ এখন আঁচনি ৰূপায়ণ কৰিছে। প্ৰধানমন্ত্ৰীয়ে ২০১৯ চনত দেশখনলৈ ১ মিলিয়ন আমেৰিকান ডলাৰৰ সাহায্যৰ ঘোষণা কৰিছিল। এই পদক্ষেপৰ ফলত জামাইকাৰ বহনক্ষম বিকাশত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰিছে। ব্যৱসায় আৰু বাণিজ্যৰ দিশত দুয়োখন দেশে উল্লেখযোগ্য বিকাশ সাধন কৰিছে। ভাৰত আৰু জামাইকাই ৬৬ মিলিয়ন আমেৰিকান ডলাৰৰ ব্যৱসায় সম্পন্ন কৰিছে। ভাৰতীয় কোম্পানীসমূহে জামাইকাত নিজৰ ব্যৱসায় সম্প্ৰসাৰণ কৰি আৰ্থিক বিকাশ ত্বৰান্বিত কৰিছে।

০০০০০০০

জামাইকাৰ প্ৰধানমন্ত্ৰী ড° এণ্ড্ৰিউ হ'লনেছে আজি ৰাজঘাটত উপস্থিত হৈ জাতিৰ পিতা মহাত্মা গান্ধীৰ সমাধিত শ্ৰদ্ধা জ্ঞাপন কৰে। চাৰিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে তেওঁ কালি নতুন দিল্লীত উপস্থিত হয়।

০০০০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে বৰ্তমান সময়ত দৰিদ্ৰ আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকলে ঋণ লাভ কৰাটো অতি সহজ হৈছে। তেওঁ জন-ধন যোজনাৰ বাবে এয়া সম্ভৱ হৈছে বুলি উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে ইটানগৰত আজি ঋণ প্ৰদান কৰা সন্দৰ্ভত আয়োজন কৰা এটা জন সজাগতা কাৰ্যসূচীত অংশগ্ৰহণ কৰি ভালেমান চৰকাৰী আঁচনিৰ হিতাধিকাৰীসকলক সম্বোধন কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বেংকৰ পৰা কোনোধৰণৰ বন্ধক নোহোৱা আৰু নথি-পত্ৰৰ দীঘলীয়া প্ৰক্ৰিয়া নোহোৱাকৈ জনসাধাৰণক ঋণ প্ৰদান কৰাটো নিশ্চিত কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ঋণ প্ৰদান কৰা সন্দৰ্ভত আয়োজন কৰা জনসজাগতা কাৰ্যসূচীয়ে সাধাৰণ লোকসকলক চৰকাৰৰ জনকল্যাণকাৰী আঁচনিসমূহৰ সুবিধাসমূহৰ সমীক্ষা কৰাৰ ক্ষেত্ৰত সহায় কৰে। শ্ৰীমতী সীতাৰমনে চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত ১৬০ গৰাকী হিতাধিকাৰীক ঋণৰ অনুমোদন পত্ৰ প্ৰদান কৰে।

ইফালে, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি অৰুণাচলৰ ৰাজ্যপাল লেফ্‌টেনেণ্ট জেনেৰেল কে টি পাৰনায়কক ইটানগৰত থকা ৰাজভৱনত সাক্ষাৎ কৰে। সাক্ষাৎকালত ৰাজ্যখনৰ বিভিন্ন আঁচনি ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০০০০

জন্মু-কাশ্মীৰত আজি তৃতীয় তথা চূড়ান্ত পৰ্যায়ৰ বিধান সভাৰ নিৰ্বাচনৰ ভোটগ্ৰহণৰ প্ৰথম দুঘণ্টাত ১১ দশমিক ৬ - ০ শতাংশ ভোটদান সম্পন্ন হৈছে। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি জনসাধাৰণে নিজৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে পুৱাৰে পৰা দীঘলীয়া শাৰী পতা পৰিলক্ষিত হৈছে। কটকটীয়া নিৰাপত্তা বেষ্টনিৰ মাজত ৭ খন জিলাৰ ৪০টা বিধানসভা সমষ্টিৰ বাবে ৫ হাজাৰ ৬০ টা কেন্দ্ৰত ভোটদান অব্যাহত আছে। পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা এই ভোটগ্ৰহণ প্ৰক্ৰিয়া সন্ধিয়া ৬ বজাত সমাপ্ত হ'ব। ভোটদাতাৰ বাবে প্ৰতিটো ভোটকেন্দ্ৰত ন্যূনতম মৌলিক সুবিধা সুনিশ্চিত কৰা হৈছে আৰু ভোটকেন্দ্ৰসমূহত ২০ হাজাৰতকৈ অধিক প'লিং বিষয়া নিয়োগ কৰা হৈছে। কাশ্মীৰৰ সংমণ্ডলৰ বাৰামূল্লা, কুপৱাৰা, বাণ্ডিপুৰা আৰু জন্মু সংমণ্ডলৰ জন্মু, উধমপুৰ, কাঠুৱা আৰু ছাম্বা জিলাত ৬০টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। অন্তিম পৰ্যায়ত ৩৯ লাখৰো অধিক ভোটাৰে সৰ্বমুঠ ৪১৫ প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব।

উল্লেখযোগ্য যে ১৮ ছেপ্তেম্বৰত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ৬১ দশমিক ৩-৮ শতাংশ ভোটদান হোৱাৰ বিপৰীতে ২৫ ছেপ্তেম্বৰত অনুষ্ঠিত দ্বিতীয় পৰ্য্যায়ৰ নিৰ্বাচনত ৫৭ শতাংশ ভোটদান সম্পন্ন হৈছিল। হাৰিয়ানাৰ সৈতে অহা ৮ অক্টোবৰত জন্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰো ভোট গণনা সম্পন্ন হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জন্মু আৰু কাশ্মীৰৰ তৃতীয় তথা চূড়ান্ত পৰ্যায়ৰ সকলো ভোটাৰকে ভোটদান প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে আস্থা প্ৰকাশ কৰি কয় যে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ প্ৰজন্ম আৰু মহিলাসকলে ব্যাপক পৰিমাণত ভোটদান কৰিব।

০০০০০০

সেনাবাহিনীৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে কৈছে যে ভাৰত আৰু চীনৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপত পৰিস্থিতি স্বাভাৱিক নহয় যদিও সুস্থিৰ হৈ আছে। নতুন দিল্লীত আজি চাণক্য প্ৰতিৰক্ষা বাৰ্তালাপক সম্বোধন কৰি সেনা বাহিনীৰ মুৰব্বীগৰাকীয়ে কয় যে ভাৰতে সদায় ২০২০ চনৰ এপ্ৰিলৰ পূৰ্বৰ পৰিস্থিতি অব্যাহত ৰখাটো বিচাৰে। তেওঁ লগতে কয় যে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ মধ্যৱৰ্তী অঞ্চল পূৰ্বৰ পৰিস্থিতি ওভোতাই অনাৰ ক্ষেত্ৰত পূৰ্বৰদৰে তহলদাৰীৰ ব্যৱস্থা কৰা হ'ব। সেনাবাহিনীৰ মুৰব্বীগৰাকীয় কয় যে নিয়ন্ত্ৰণ ৰেখাৰ পূৰ্বৰ ব্যৱস্থা বাহাল নকৰা পৰ্যন্ত ভাৰতে কোনোধৰণৰ আকস্মিক পৰিস্থিতিৰ মুখামুখি হোৱাৰ বাবে সম্পূৰ্ণ প্ৰস্তুতি অব্যাহত ৰাখিছে।

০০০০০০০০০

অসমৰ মুখ্যমন্ত্ৰী তথা ঝাৰখণ্ড বিজেপিৰ নিৰ্বাচনৰ দায়িত্বত থকা সহ-প্ৰভাৰী হিমন্ত বিশ্ব শৰ্মাই কৈছে যে ভাৰতীয় জনতা পাৰ্টীয়ে পৰহিলৈ ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ সংক্ষিপ্ত নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰিব। ৰাঁচীত সংবাদ মাধ্যমৰ আগত শ্ৰী শৰ্মাই কয় যে ইয়াৰ পাছত অচিৰেই সম্পূৰ্ণ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰা হ'ব। তেওঁ কয় যে ঝাৰখণ্ড ৰাজ্য গঠন কৰাৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত হেমন্ত্ চোৰেণ চৰকাৰ ব্যৰ্থ হৈছে। শ্ৰী শৰ্মাই কয় যে ভাৰতীয় জনতা পাৰ্টীয়ে ৰাজ্যখনৰ সামগ্ৰিক বিকাশৰ বাবে নক্সা প্ৰস্তুত কৰিছে।

০০০০০০০০০

দেশ-বিদেশৰ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু তথা বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আজি মুকলি কৰা হৈছে। বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি আনুষ্ঠানিকভাৱে উদ্যানখন মুকলি কৰে। অনুষ্ঠানত মন্ত্ৰী অতুল বৰা আৰু কেশৱ মহন্তৰ লগতে সাংসদ কামাখ্যা প্ৰসাদ তাচা উপস্থিত থাকে। ইয়াৰ পাছতে আটাইকেইগৰাকী নেতাই ৰাষ্ট্ৰীয় উদ্যানখনত জীপ চাফাৰী কৰে।

উল্লেখযোগ্য যে যোৱা বছৰৰ ৩১ মে'ত ৰাষ্ট্ৰীয় উদ্যানখনত পৰ্যটন বৰ্ষৰ সামৰণি পৰাৰ পাছত আজি মুকলি কৰা হয়। অৱশ্যে প্ৰথম অৱস্থাত পৰ্যটকসকলৰ বাবে কেৱল জীপ ছাফাৰীৰ ব্যৱস্থা থাকিব। অহা ১ নৱেম্বৰৰ পৰা পৰ্যটকসকলে হাতী ছাফাৰীৰ সুবিধা লাভ কৰিব। আজি উদ্যোনখনৰ কাজিৰঙা বনাঞ্চল, বাগৰি বনাঞ্চল আৰু বুঢ়া পাহাৰ বনাঞ্চলৰ কিছু অংশহে পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হয়।

ইফালে আজি ওৰাং ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্পও পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ এটা খৰ্গযুক্ত গঁড়ৰ বিচৰণথলী আৰু মাটিকালিৰ ক্ষেত্ৰত এছিয়াৰ ভিতৰতে বাঘৰ ঘন বসতি থকা এই উদ্যানখনৰ পথসমূহ মেৰামতি কৰি জীপ ছাফাৰীৰ বাবে উপযোগী কৰি তোলা হৈছে। এইবাৰ পৰ্যটকসকলৰ সুবিধাৰ্থে বন বিভাগে নিজাকৈ ছটা কোঠাৰ ইকো কেম্প মুকলি কৰিছে।

০০০০

ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া নলীন প্ৰভাতে কালি জম্মু-কাশ্মীৰৰ আৰক্ষী সঞ্চালকপ্ৰধান হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি গৃহ মন্ত্ৰালয়ে চলিত বৰ্ষৰ আগষ্ট মাহত তেওঁৰ নিযুক্তিৰ কথা ঘোষণা কৰিছিল।

০০০০০০০০০

ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা -NIAই আজি পশ্চিম বংগৰ ১২ টা স্থানত তালাচী অভিযান চলায়। সংস্থাটোৱে মাওবাদীৰ সৈতে যোগাযোগত জড়িত থকাৰ সন্দেহত উত্তৰ আৰু দক্ষিণ ২৪ পৰগনা জিলা, নদীয়া, পশ্চিম বৰ্ধমানত এই তালাচী অভিযান চলায়।

০০০০০০০০০

দেশৰ প্ৰখ্যাত অভিনেতা ৰজনীকান্তক অসুস্থতাৰ বাবে চেন্নাইৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ৭৩ বছৰীয়া অভিনেতাগৰাকী সন্দৰ্ভত চিকিৎসালয়ৰ সূত্ৰই আনুষ্ঠানিকভাৱে সবিশেষ অৱগত কৰা নাই যদিও তেওঁৰ অৱস্থা সুস্থিৰ বুলি জানিব পৰা গৈছে।

০০০০০০০০০

————পেৰুৰ লিমাত চলি থকা শুটিঙৰ আই এছ এছ এফ জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপৰ এয়াৰ ৰাইফলৰ পুৰুষৰ দলীয় শাখাত বিজয়ী হৈ ভাৰতৰ পাৰ্থ্ ৰাকেশ মানে দুটা সোণৰ পদক অৰ্জন কৰিছে। ইয়াৰ পূৰ্বে ১০ মিটাৰ এয়াৰ ৰাইফলৰ ব্যক্তিগত শাখাত পাৰ্থই সোণৰ পদক অৰ্জন কৰাৰ পাছত দলীয় শাখাত অজয় মালিক আৰু অভিনৱ শ্বৰ সৈতে সোণৰ পদক

অর্জন কৰে। মহিলাৰ ১০ মিটাৰ এয়াৰ ৰাইফলৰ দলীয় শাখাত গৌতমী ভানট, সম্ভৰী খ্রিছাগৰ আৰু অনুস্কা ঠাকুৰে ভাৰতৰ হৈ তৃতীয়টো সোণৰ পদক অৰ্জন কৰে। পাৰ্থ মানে প্ৰতিযোগিতাৰ ফাইনেলত ২৫০ দশমিক ৭ পইণ্ট অৰ্জন কৰি পূৰ্বৰ এছিয়ান চেম্পিয়ন চীনৰ হুৱাং লিৱানলিনতকৈ ০ দশমিক ৭ পইণ্টৰ ব্যৱধানত বিজয়ী হয়। এই বিজয়ৰ জৰিয়তে ভাৰতে জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপত ৫টা সোণ পদকেৰে পদক তালিকাৰ শীৰ্ষ স্থান অক্ষুণ্ণ ৰাখিছে।

০০০০০০০০০

ভাৰত আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত হৈ থকা টেষ্ট শৃংখলাৰ দ্বিতীয়খন খেলত আজি অন্তিম দিনা বাংলাদেশে ১৪৬ ৰানত দ্বিতীয় ইনিংছ সামৰে। ভাৰতে দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰি বাতৰি লিখাৰ পৰলৈকে দুটা উইকেট হেৰুৱাই ৬০ ৰান সংগ্ৰহ কৰিছে। ভাৰতক খেলখনত জয়ী হোৱাৰ বাবে ৩৫ ৰানৰ প্ৰয়োজন।

০০০০০০০০

সমাপ্ত